অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

প্ৰসংগ ঃ এজবেক/০৭/০২/২০২১ তাৰিখ ঃ ৩০-০৬-২০২১
Ref : Date :

# জাতীয় বিদ্যালয়সমূহৰ সপ্তাহজোৰা শিক্ষক-প্ৰশিক্ষণৰ সফল সামৰণি

**নুনমাটি, গুৱাহাটী, ৩০ জুন ঃ** যোৱা ২৩ জুনৰ পৰা অনুষ্ঠিত হোৱা জাতীয় বিদ্যালয়সমূহৰ শিক্ষক-প্ৰশিক্ষণ কাৰ্য্যসূচীৰ ২৯ জুন তাৰিখে সামৰণি পৰে। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ দ্বাৰা আয়োজিত এই প্ৰশিক্ষণ কাৰ্য্যসূচীত ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ ১৫ খন জিলাৰ ৩০০ৰো অধিক জাতীয় বিদ্যালয়ৰ এহাজাৰৰো অধিক শিক্ষক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। ২৩ আৰু ২৪ জুন তাৰিখে প্ৰাক্-বিদ্যালয় আৰু ইংৰাজী বিষয়ৰ, ২৫ আৰু ২৬ জুনত গণিত আৰু অসমীয়া বিষয়ৰ, ২৮ আৰু ২৯ জুনত বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ আৰু ২৯ জুন তাৰিখে ছবি বিষয়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণ কাৰ্য্যসূচীত প্ৰতিটো বিষয়ৰে অভিজ্ঞ সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰি প্ৰশিক্ষণ প্ৰদান কৰে আৰু প্ৰশিক্ষাৰ্থী শিক্ষকসকলৰ সৈতে বিষয় সন্দৰ্ভত মত বিনিময় কৰে। উল্লেখযোগ্য যে শিক্ষকসকলক মানসম্পন্ন শিক্ষণ-কৌশলৰ প্ৰতি আগ্ৰহী কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে অজাবি শিক্ষা সংসদে এই প্ৰশিক্ষণ কাৰ্য্যসূচীৰ আয়োজন কৰি আহিছে। ক'ভিড পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত যোৱা বছৰৰ পৰা প্ৰশিক্ষণ অনলাইনৰ মাধ্যমেৰে অনুষ্ঠিত কৰা হৈছে। এই বছৰৰ প্ৰশিক্ষণ কাৰ্য্যসূচীৰ সামগ্ৰিক দায়িত্বত আছিল ইংৰাজী বিভাগৰ শিক্ষয়িত্ৰী অপৰাজিতা দত্ত।

(ডাঃ নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ